অধ্যায় ৫ ঃ অৰুণোদয় পৰৱৰ্তীকালৰ আধুনিক অসমীয়া সাহিত্য — ১

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ অৰুণোদয় পৰৱৰ্তীকালৰ আধুনিক অসমীয়া সাহিত্যৰ পটভূমি আৰু বৈশিষ্ট্য

৫.৪ অৰুণোদয় পৰৱৰ্তীকালৰ আধুনিক অসমীয়া সাহিত্য

৫.৪.১ কবিতা

৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৬ অধিক জানিবলৈ

৫.৭ অগ্রগতিৰ খতিয়ান

৫.৮ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ অৰুণোদয় পৰৱৰ্তীকালৰ সময়ছোৱাৰ ঐতিহাসিক পটভূমি আৰু বৈশিষ্ট্য সম্পর্কে জ্ঞাত হ'ব
- অৰুণোদয় পৰৱৰ্তীকালৰ অসমীয়া সাহিত্যিকসকলৰ পৰিচয় লাভ কৰাৰ লগতে সেই সময়ৰ কবিতা সম্পর্কে সম্যক জ্ঞান অর্জন কৰিব।

৫.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায় কেইটিত আপুনি অৰুণোদয় যুগৰ অসমীয়া সাহিত্য সম্পর্কে বিস্তৃতভাৱে অধ্যয়ন কৰিলে। পাঠ্যবিষয়ৰ প্রথম অধ্যায়টিতে কৈ আহিছোঁ যে এই পাঠ্যবিষয়টিত অসমীয়া সাহিত্যৰ স্তৰ বিভাজনৰ ক্ষেত্রত আমি ভাৰতবর্ষই স্বাধীনতা লাভ কৰা বছৰটিকে আধাৰ হিচাপে গ্রহণ কৰিছোঁ। মন কৰিবলগীয়া যে, তদানীন্তন সময়ত, *অৰুনোদই* কাকতৰ সমসাময়িক সময়ত কেইবাখনো নতুন কাকত-আলোচনী প্রকাশ পালে যদিও সেই কাকত-আলোচনীসমূহে অসমীয়া সাহিত্যৰ যুগ সৃষ্টি কৰিব নোৱাৰিলে। কিন্তু ১৮৮৯ চনত প্রকাশ পোৱা *জোনাকী* কাকতখনে অসমীয়া সাহিত্যলৈ নতুনত্বৰ বতৰা আনিলে। সেইবাবেই সাহিত্যৰ ইতিহাসকাৰসকলৰ বহুতে অসমীয়া সাহিত্যৰ অৰুণোদয় যুগৰ পৰৱৰ্তী কালটোক "জোনাকী" বা "ৰোমাণ্টিক যুগ" যুগ বুলিও নামকৰণ কৰিছে।

অৰুণোদয় যুগৰ লেখকসকলে, বিশেষকৈ আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম

বৰুৱা, হেমচন্দ্ৰ বৰুৱা আদিয়ে বাট কাটি যি ভেটি নিৰ্মাণ কৰিলে, সেই ভেটিতে আধুনিক অসমীয়া সাহিত্যৰ দ্বিতীয়টো ধাৰা আৰম্ভ হয়। অসমীয়া সাহিত্যই পূৰ্ণ অৰ্থত আধুনিক ৰূপ লাভ কৰিলে এই সময়ছোৱাতে। অৰুণোদয় পৰৱৰ্তীকালৰ আধুনিক অসমীয়া সাহিত্য বুলিলে আমি *জোনাকী* কাকতখন প্ৰকাশ হোৱাৰ পৰা ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰা সময়লৈকে ৰচিত সাহিত্যৰাজিৰ কথাকে বিবেচনা কৰিম। এই সময়ছোৱাৰ সাহিত্যৰাজিৰ বিষয়ে চাৰিটা অধ্যায়ত বহলাই আলোচনা কৰা যাব। তাৰে এইটো প্ৰথম অধ্যায়।

এই অধ্যায়টিত আপুনি অৰুণোদয় পৰৱৰ্তীকালৰ সময়ছোৱাৰ ঐতিহাসিক পটভূমি আৰু বৈশিষ্ট্যৰ বিষয়ে অধ্যয়ন কৰাৰ উপৰি সেই সময়ৰ কবিতা সম্পৰ্কে বহলাই অধ্যয়ন কৰিব। অধ্যায়টোৰ অধ্যয়নে আপোনাক তদানীন্তন কালৰ আধুনিক অসমীয়া সাহিত্য সম্পৰ্কে সম্যক ধাৰণা প্ৰদান কৰিব।

৫.৩ অৰুণোদয় পৰৱৰ্তীকালৰ পটভূমি আৰু বৈশিষ্ট্য

'অৰুণোদয় পৰৱৰ্তীকালৰ আধুনিক অসমীয়া সাহিত্য' বুলিলে বুজি পোৱা সাহিত্যৰাজিৰ প্ৰাৰম্ভিক সময়ছোৱা হ'ল *জোনাকী* নামৰ আলোচনীখনৰ সাহিত্য তথা *জোনাকী* আলোচনীৰ প্ৰভাৱত সৃষ্ট সাহিত্য। আমাৰ এই আলোচনাত *দেশে* স্বাধীনতা লাভ কৰা সময়লৈকে ৰচিত সাহিত্যৰাজিৰ অৰুণোদয় পৰৱৰ্তীকালৰ আধুনিক অসমীয়া সাহিত্য বুলি অভিহিত কৰা হৈছে। ১৮৮৯ চনত *জোনাকী* কাকতখন প্ৰকাশ পোৱাৰ পৰৱৰ্তী সময়তো কেইবাখনো কাকত-আলোচনী প্ৰকাশ পাইছিল আৰু সেইবোৰেও এই কালৰ সাহিত্যসৃষ্টিত অৱদান আগবঢ়াইছিল। ইতিমধ্যে কোৱা হৈছেই যে, *জোনাকী* নামৰ আলোচনীখন প্ৰকাশ হোৱাৰে পৰাই এই যুগটো আৰম্ভ হয়। সেই সময়ত অসমৰ পৰা চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী প্ৰভৃতি বহু ছাত্ৰই কলিকতালৈ পঢ়িবলৈ গৈছিল। তেওঁলোকে ইংৰাজী সাহিত্যৰ, বিশেষকৈ ৰোমাণ্টিক সাহিত্যৰ সংস্পৰ্শলৈ আহে আৰু তাৰ সোৱাদ লয়। একেদৰে সোৱাদ পায় বাংলা সাহিত্যৰ ৰোমাণ্টিক ধাৰাৰো। অসমীয়া ছাত্ৰকেইজনে শ্বেইক্সপিয়েৰ, ৱৰ্ডচৱৰ্থ, শ্যেলী, কীটচ্ আদি কবিসকলৰ ৰোমাণ্টিক ভাবধাৰাৰ দ্বাৰা অনুপ্ৰাণিত হৈ অসমীয়া সাহিত্যতো এই নতুন ধাৰাটো সংযোগ কৰিবলৈ মনস্থ কৰে। এই ছাত্ৰকেইজনৰ চাহমেলতেই এদিন জন্ম হ'ল (১৮৮৮ চনত) 'অসমীয়া ভাষা উন্নতি সাধিনী সভা' (চমুকৈ অঃ ভাঃ উঃ সাঃ সঃ) নামৰ অনুষ্ঠানৰ। সভাই অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ হকে, বিশেষকৈ ৰোমাণ্টিক ভাবধাৰাৰ সূচনা কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। সভাৰ জন্ম আৰু উদ্দেশ্য প্ৰসংগত বেজবৰুৱাই লিখি গৈছে— "১৮১০ শকৰ ভাদ মাহত (ইংৰাজী ১৮৮৮ চনৰ ২৫ আগষ্ট তাৰিখে) ৬৭নং মিৰ্জাপুৰ ষ্ট্ৰীটৰ বহাত হোৱা 'টি পাৰ্টি'ত অসমীয়া ভাষাৰ উন্নতি সাধিবৰ অৰ্থে এখন সভা কৰিবৰ প্ৰস্তাৱ হৈ সেই প্ৰস্তাৱ কাৰ্যত পৰিণত হোৱাৰ ফলস্বৰূপে 'অসমীয়া ভাষা উন্নতি সাধিনী সভা'ৰ জন্ম হয়।... ...অসমৰ সকলোবিধ পঢ়াশালিতে যাতে অসমীয়া ভাষা প্ৰচলন কৰা হয় আৰু অসমীয়া ল'ৰা-ছোৱালীয়ে

যাতে নিজ নিজ ভাষা সুকলমে পঢ়িবলৈ পায়, তাৰ নিমিত্তে আসামৰ শিক্ষা বিভাগৰ অধিকাৰসকলৰ মনোযোগ আকর্ষণ কৰা... দেশৰ ইতৰ সাধাৰণ সকলো শ্রেণীৰ মানুহৰ ভিতৰত যাতে লেখা-পঢ়াৰ চর্চা হয় তাৰ নিমিত্তে উক্ত উপায় উলিয়াবলৈ বাতৰি কাকতৰ প্রতি লোকৰ আগ্রহ বঢ়াবলৈ আৰু অসমৰ সকলো অঞ্চলতে এটা মাত্র লিখিত ভাষাৰ সৃষ্টি কৰিবলৈ সভাৰ যত্ন থাকিব।" ১৮৮৯ চনৰ ফেব্রুৱাৰী মাহত চন্দ্রকুমাৰ আগৰৱালাৰ সম্পাদনাত *জোনাকী*ৰ প্রথম সংখ্যাটো প্রকাশ পায়। *জোনাকী* প্রকাশ হোৱাৰ দিনৰে পৰাই অসমীয়া সাহিত্যত ৰোমাণ্টিক কুঁৱৰীয়ে প্রৱেশ কৰিলে। পাশ্চাত্য সাহিত্যৰ ৰোমাণ্টিক ভাবধাৰা অসমীয়া সাহিত্যলৈ আমদানি কৰি আনে বাবে এই সময়ছোৱাক "ৰোমাণ্টিক যুগ" নামেৰেও অভিহিত কৰা হয়।

*জোনাকী*ৰ প্রথম সংখ্যাত প্রকাশিত চন্দ্রকুমাৰে লিখিছিল — "আমি যে বিপদসাগৰত ভূৰ বান্ধি ল'ৰাৰ দৰে পাৰ হ'বলৈ ওলাইছোঁ তাক আমি জানো। অসমত কাকতৰ গতি কচুপাতৰ পানীটুপিৰ দৰে।... ...কৰিবলগীয়া আমি কৰিম, ফল লাভ পাছৰ কথা। কামৰ চকৰিৰ তলত বহু মৰেও, জীয়েও। মৰি জীহে সংসাৰৰ কার্য সাধিব পাৰি।... ...আমি জানো আমাৰ দেশ শিক্ষাত পাছ, জ্ঞানত ভিক্ষাৰী, ধনৰ দুখীয়া, সংখ্যা বলত শক্তিহীন, স্বাস্থ্যত ৰুগীয়া, কামত এলেহুৱা আৰু পৰাধীন... ...আমি নিজক নিজে যোগ্য নকৰিলে অন্যে কৰি নিদিয়েহি।" ইয়াৰ মাজতেই প্রচ্ছন্ন হৈ আছে জোনাকী সৃষ্টিৰ মূল কথাখিনি। এই কাকতকে কেন্দ্র কৰি পাশ্চাত্য সাহিত্যত প্রবাহিত আৰু কিছুকাল আগৰে পৰা বাংলা সাহিত্যতো প্রবেশ কৰা ৰোমাণ্টিক ভাবধাৰা অসমীয়া সাহিত্যলৈ সোমাই আহিল। ৰমন্যাসবাদ বা ৰোমাণ্টিকতাবাদেই আছিল *জোনাকী* কাকতক কেন্দ্র কৰি সৃষ্টি হোৱা সাহিত্যৰ প্রধান বৈশিষ্ট্য। অৱশ্যে এই বৈশিষ্ট্যটো ইংৰাজী সাহিত্যৰ অধ্যয়ন আৰু বাংলা সাহিত্য-সংস্কৃতিৰ সংস্পর্শত অসমীয়া ভাষা-সাহিত্যৰ দুর্দশাৰ উপলব্ধিৰ পৰা উদ্ভৱ হোৱা ৰোমাণ্টিকতাহে। ইংৰাজী সাহিত্যত যেনেদৰে ৰোমাণ্টিকতাৰ সৃষ্টি হৈছিল তেনেদৰে অসমীয়া ৰোমাণ্টিক সাহিত্য সৃষ্টিৰ বাবে অসমত কোনো ধৰণৰ পৰম্পৰা বা পটভূমি জাগ্রত হোৱা নাছিল। অৱশ্যে তাৰ মাজতে ৰোমাণ্টিক সাহিত্যৰ প্রধান বৈশিষ্ট্য 'উদাৰ মানৱতাবাদ' অসমীয়া সাহিত্যতো প্রকাশ পাইছিল।

মন কৰিবলগীয়া যে *জোনাকী*ৰ ইতিহাসৰ মূলতে আছে এচাম কলেজীয়া ছাত্রৰ জাতীয় ভাৱনা আৰু উছাহৰ ফল। কলিকতাৰ পৰা *জোনাকী* মুঠ দহ বছৰ প্রকাশিত হৈছিল; মাজতে দুবছৰ *জোনাকী*ৰ প্রকাশ বন্ধ আছিল। *জোনাকী* কাকতৰ সমসাময়িক সময়ত *বিজুলী* (১৮৯০) নামৰ কাকত এখনেও আত্মপ্রকাশ কৰিছিল। একেবাৰে কম সময়ৰ বাবে জন্ম লাভ কৰা এই আলোচনীখনৰ পৰৱৰ্তী সময়ত *জোনাকী*য়ে সৃষ্টি কৰা সাহিত্য ধাৰাটো প্রৱাহিত কৰাৰ ক্ষেত্রত *অসম বন্তি* (১৯০০-১৯৪৪), *ঊষা* (১৯০৭-১২), *বাঁহী* (১৯০৯-১৯৪৬), *অসমীয়া* (১৯১৯-৫৮), *চেতনা* (১৯১৯-২৭), *মিলন* (১৯২৩), *আৱাহন* (১৯২৯) আদি কাকত/আলোচনীয়ে বৰঙণি আগবঢ়ায়। মধ্যযুগৰ বৈষ্ণৱ ধর্ম সাহিত্য আৰু অৰুণোদয় যুগৰ খ্রীষ্টধর্ম প্রচাৰমুখী গণ্ডীৰ পৰা সম্পূর্ণৰূপে আঁতৰি আহি প্রকৃত অর্থত ধর্ম-নিৰপেক্ষ সাহিত্যৰ পৰম্পৰা গঢ় লৈ উঠে এই ৰোমাণ্টিক যুগতে। ফলত পাশ্চাত্য সাহিত্যৰ দৰে অসমীয়া সাহিত্যতো কবিতা, চুটিগল্প, উপন্যাস,

নাটক আদি নতুন নতুন সাহিত্যৰ সৃষ্টি হ'বলৈ ধৰে।

তথাপি, আৰ্থ-সামাজিক ইতিহাসৰ পটভূমি বাদ দিলে সাহিত্য হিচাপে *জোনাকী* কাকতক কেন্দ্ৰ কৰি সৃষ্টি হোৱা সাহিত্যও মূলতঃ ৰোমাণ্টিক সাহিত্য। এই সাহিত্য যথাৰ্থতে অসমীয়া সাহিত্যত অভিনৱ আছিল। এই ৰোমাণ্টিক সাহিত্যৰ লক্ষণসমূহ থূলমূলভাৱে সত্যেন্দ্ৰনাথ শৰ্মাই এনেদৰে দেখুৱাইছে— "ব্যক্তিসত্তাৰ প্ৰাধান্য, প্ৰকৃতি-প্ৰীতি, সাধাৰণ প্ৰাণী বা পদাৰ্থৰ প্ৰতি উদাৰ মনোভাৱ, বাস্তৱ-বিমুখিতা, অতীতৰ প্ৰতি শ্ৰদ্ধা আৰু ভৱিষ্যতৰ ৰঙীণ কল্পনা। কল্পলোকৰ সৃষ্টিৰ সহায়ত আত্মমুক্তিৰ প্ৰচেষ্টা, প্ৰেম আৰু সৌন্দৰ্যৰ পূজা, জাগতিক সৌন্দৰ্যৰ প্ৰতি বিস্ময়বিমূঢ় দৃষ্টি, প্ৰিয়াৰ ৰূপ আৰাধনা আৰু বিশ্বপ্ৰকৃতিত প্ৰিয়াৰ ৰূপদৰ্শন আৰু অতীন্দ্ৰিয়বাদ, সুদূৰৰ আকৰ্ষণ, জীৱন ৰহস্যভেদৰ বৌদ্ধিক প্ৰচেষ্টা" আদি।

আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জীত "আৱাহন যুগ" নামেৰেও এখিনি সময়ক অভিহিত কৰে কিছু বুৰঞ্জীকাৰ তথা গৱেষকে। মূলতঃ ১৯২৯ চনৰ পৰা প্ৰকাশিত *আৱাহন* আলোচনীক কেন্দ্ৰ কৰিয়েই ইয়াৰ নামকৰণ কৰা হৈছে। ভাৰতবৰ্ষত অসহযোগ আন্দোলন আৰম্ভ হোৱাৰ লগে লগে তাৰ প্ৰভাৱ অসমৰ জাতীয় জীৱনত বাৰুকৈ পৰিল। এই প্ৰভাৱে অসমৰ জনগণক অতি ব্যাপক আৰু গভীৰভাৱে ৰেখাপাত কৰিছিল। অসহযোগ আন্দোলনৰ কেইবছৰমান পাছত; মহাত্মা গান্ধীৰ দাণ্ডি যাত্ৰাৰ প্ৰাক্-মুহূৰ্তত লক্ষীপুৰৰ জমিদাৰ নগেন্দ্ৰ নাৰায়ণ চৌধুৰী আৰু ডাঃ দীননাথ শৰ্মাৰ যুটীয়া প্ৰচেষ্টাত কলিকতাত ১৯২৯ চনত *আৱাহন* আলোচনীৰ জন্ম হয় আৰু সেই বছৰতে ডাঃ দীননাথ শৰ্মাৰ সম্পাদনাত কলিকতাৰ পৰা *আৱাহন* আলোচনীৰ প্ৰথম সংখ্যা প্ৰকাশ পায়। *আৱাহন* আলোচনী প্ৰকাশ পোৱাৰ পটভূমি এক দীঘলীয়া ইতিহাস। এই আন্দোলনৰ প্ৰভাৱৰ স্বৰূপ সম্পৰ্কে ডাঃ দীননাথ শৰ্মাই লিখিছে, "১৯২১ চনত ভাৰত জুৰি ব্ৰিটিছ সাম্ৰাজ্যবাদবিৰোধী জাতীয় আন্দোলনৰ সোঁত বৈ গৈছিল। তাৰ ঢৌৱে পূব প্ৰান্তৰ অসমকো প্লাৱিত কৰিছিল। ব্ৰিটিছ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে সংগ্ৰামত অসমীয়াৰ জাতীয় চেতনা বহুগুণে বাঢ়ি যায়। এই নৱচেতনাই আমাৰ সাহিত্যত নতুন তেজৰ সঞ্চাৰ কৰে। আৱাহন এই মহৎ চেতনাৰ আৱশ্যম্ভাৱী সৃষ্টি।" এই আন্দোলনৰ দৰ্শন অনুযায়ী গান্ধীয়ে সামাজিক সংগঠন, অৰ্থনৈতিক স্বাৱলম্বিতা, শিক্ষাৰ সম্প্ৰসাৰণ আৰু নাৰী মুক্তি সাধন কৰিবলৈ যত্ন কৰিছিল। এই দৰ্শনৰ পৃষ্ঠভূমিতে *আৱাহন* কাকতক কেন্দ্ৰ কৰি সৃষ্টি হোৱা অসমীয়া সাহিত্যই পূৰ্ব পৰম্পৰাৰ পৰা আঁতৰি আহি বিষয়বস্তু আৰু ভাববস্তুৰ সম্প্ৰসাৰণ ঘটালে। এই সময়ছোৱাত আসমৰ তৰুণ প্ৰজন্মই সকলো অভিজ্ঞতাৰ ফালে উন্মুখ হৈ আছিল। লক্ষ্মীনাথ বেজবৰুৱা আৰু ৰবীন্দ্ৰনাথৰ সমসাময়িক চেকভ আৰু মোপাঁছাৰ দৰে ফ্ৰ'য়ড আৰু ল'ৰেন্সেও তৰুণ লেখকসকলৰ মনোজগতত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিবলৈ ধৰিলে। স্বাধীনতা আন্দোলন আৰু নাৰী মুক্তি আন্দোলনৰ নেত্ৰী চন্দ্ৰপ্ৰভা শইকীয়ানীৰ উদাত্ত আহ্বান আৰু লক্ষ্মীধৰ শৰ্মাৰ সমাজ বিশ্লেষণসমূহ অধ্যয়ন কৰিলে এই কথা প্ৰতীয়মান হ'ব পাৰি।

১৯২৫ চনৰ পৰা *আৱাহন* আলোচনী উলিওৱা সময়লৈ নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ নেতৃত্ব আৰু অন্যান্য সাহিত্যিকসকলৰ আপ্ৰাণ চেষ্টাত অসমীয়া সাহিত্যালোচনাৰ প্ৰস্তাৱিত

আলোচনীখনৰ প্ৰস্তুতিপৰ্ব চলিছিল। আলোচনীখনে তেতিয়াৰ ন-পুৰণি সাহিত্যিকসকলৰ চিন্তা আৰু অনুভূতিৰ জগতখনক আৱৰি ৰাখিব পাৰিছিল। আৱাহনৰ শক্তিশালী পৃষ্ঠভূমি তিনিটা দিশত পোৱা যায়—

ক) প্ৰথম দিশটো গান্ধীৰ স্বাধীনতা আন্দোলনৰ যোগেদি ৰাজনৈতিক চেতনা।

খ) দ্বিতীয়টো সমকালীন অসমৰ ক্ৰমবৰ্ধমান শিক্ষা ব্যৱস্থা।

গ) তৃতীয় দিশটো পশ্চিমৰ বিভিন্ন সাহিত্যিক তথা সাহিত্যৰ মতাদৰ্শ।

এই তিনিটা দিশৰ পৰা *আৱাহন* কাকত প্ৰকাশৰ সময়ত সৃষ্টি হোৱা অসমীয়া সাহিত্য অধিক শক্তিশালী হৈ উঠিব পৰা বলিষ্ঠ পটভূমি এটা গঢ় লৈ উঠিছিল। এনে পটভূমিতেই এই সময়ছোৱাৰ অসমীয়া সাহিত্য শক্তিশালী হৈ উঠিছিল। অসমীয়া ভাষা-সাহিত্য, সংস্কৃতিৰ জগতত *আৱাহনৰ* স্থান অতুলনীয়, সেয়া প্ৰতীয়মান।

১৯২৯ চনৰ পৰা ১৯৪০ চনলৈকে প্ৰকাশ পোৱা এইখন কাকতৰ পাততে অসমীয়া চুটিগল্পই ভাববস্তুগত আৰু ৰূপবস্তুগত দিশত বিকাশ লাভ কৰে। সেই বাবেই শৈলেন ভৰালীয়ে মন্তব্য কৰিছে— "জোনাকী যুগত কবিতাৰ যি জোৱাৰ উঠিছিল আৱাহন যুগত সেই জোৱাৰ উঠে চুটিগল্পৰ ক্ষেত্ৰত। এক অৰ্থত ক'বলৈ হ'লে *আৱাহনৰ* পাততে অসমীয়া চুটিগল্পই এক বিশিষ্ট তথা জনপ্ৰিয় মাধ্যম হিচাপে চিহ্নিত হয়।" উদাৰনৈতিক মানৱতাবাদী দৃষ্টিভংগী, সামাজিক চেতনা আৰু সমাজৰ প্ৰতি দায়বদ্ধতা, ৰোমাণ্টিক ভাৱাদৰ্শৰ প্ৰসাৰ, মনোবিশ্লেষণাত্মক, ফেণ্টাছীধৰ্মী, ৰোমাণ্টিক বাস্তৱবাদ, চেতনাস্ৰোত আদি বিভিন্ন ভাবধাৰাৰ লগতে প্ৰগতিশীল চিন্তাধাৰাৰ আৱম্ভণি ঘটে এই সময়ৰ অসমীয়া গল্পবোৰৰ মাজেদি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ *জোনাকী* কাকতক কেন্দ্ৰ কৰি সৃষ্টি হোৱা সাহিত্যৰাজি মূলতঃ কেনেধৰণৰ?

.....

প্ৰশ্ন নং ২ ঃ জোনাকী যুগৰ সাহিত্যৰাজিৰ প্ৰধান বৈশিষ্ট্যসমূহ কি কি?

.....

.....

.....

.....

.....

প্ৰশ্ন নং ৩ ঃ *আৱাহন* আলোচনীখন কেতিয়া কাৰ সম্পাদনাত প্ৰথমে প্ৰকাশ পাইছিল?

.....

.....

৫.৪ অৰুণোদয় পৰৱৰ্তীকালৰ আধুনিক অসমীয়া সাহিত্য

অৰুণোদয় পৰৱৰ্তীকালৰ আধুনিক অসমীয়া সাহিত্যৰাজিলৈ লক্ষ্য কৰিলে দেখা যায় যে এই সময়ছোৱাতে পাশ্চাত্য সাহিত্যৰ দৰে অসমীয়া সাহিত্যতো কবিতা, চুটিগল্প, উপন্যাস, নাটক আদি নতুন নতুন সাহিত্য বিধাৰ সৃষ্টি হ'বলৈ ধৰে। এইটো অধ্যায়ত আলোচ্য সময়ছোৱাৰ অসমীয়া কবিতাৰ বিষয়ে তলত বহলাই আলোচনা কৰা হ'ব। মন কৰিবলগীয়া যে এই সময়ছোৱাতে অসমীয়া কবিতাই নতুন সুঁতি আঁকোৱালি লয় লগতে অসমীয়া কাব্যকাশ বহু নতুন কবিৰ ন ন চিন্তাৰে ভৰি পৰিল।

৫.৪.১ কবিতা

জোনাকী আলোচনীৰ যোগেদি অসমীয়া সাহিত্যত ৰোমাণ্টিক কবিতাৰ শুভাৰম্ভ হয়। অৱশ্যে জোনাকী যুগৰ অলপ আগৰে পৰা এই শ্রেণী কবিতাৰ পূৰ্বাভাস দিয়ে ভোলানাথ দাস, ৰমাকান্ত চৌধুৰী আৰু কমলাকান্ত ভট্টাচার্যই। এই তিনিগৰাকী কবিক প্রাক্-জোনাকী বা প্রাক্-ৰোমাণ্টিক কবি বুলিও কোৱা হয়। ভোলানাথ দাস আৰু ৰমাকান্ত চৌধুৰীৰ সর্বশ্রেষ্ঠ কৃটি হ'ল— অসমীয়া কাব্যত অমিত্রাক্ষৰ ছন্দৰ প্রয়োগ। ভোলানাথ দাসৰ *সীতাহৰণ-কাব্য* আৰু ৰমাকান্ত চৌধুৰীৰ *অভিমুন্য-বধ* এই প্রসংগত উল্লেখনীয়। এওঁলোক দুজনৰ পাছতে স্মৰণীয় প্রতিভাশালী কবিগৰাকী হ'ল কমলাকান্ত ভট্টাচার্য। এওঁৰ কবিতাতে প্রথমবাৰৰ বাবে পাশ্চাত্যৰ ধ্যান-ধাৰণা প্রকাশ পাবলৈ ধৰে। অসমীয়া কাব্য-সাহিত্যৰ বুৰঞ্জীত কমলাকান্ত ভট্টাচার্য এজন নতুন যুগৰ বার্তাবাহী প্রাক্-ৰোমাণ্টিক কবি। দৰাচলতে, এওঁ 'অৰুণোদয়' আৰু 'জোনাকী' যুগৰ মাজত সেতুবন্ধ স্বৰূপ। এওঁৰেই উত্তৰ-সাধক কবিকেইগৰাকী হ'ল *জোনাকীৰ* ত্রিমূর্তি— চন্দ্রকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্র গোস্বামী।

অসমীয়া ৰোমাণ্টিক কবিতাৰ আলোচনা প্রসংগত মহেন্দ্র বৰাই এই যুগটোক তিনিটা প্রধান স্তৰ বা তৰংগত বিভক্ত কৰিছে। প্রথম তৰংগৰ কবি তিনিগৰাকী হ'ল— চন্দ্রকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্র গোস্বামী। *জোনাকীৰ* প্রথম বছৰ, প্রথম সংখ্যাত চন্দ্রকুমাৰ আগৰৱালাৰ 'বনকুঁৱৰী' নামৰ কবিতা এটি প্রকাশ পায়। এইটোৱেই প্রথম অসমীয়া ৰোমাণ্টিক কবিতা। আগৰৱালাৰ ৰচনাৰ সংখ্যা কম। কিন্তু তেওঁৰ *প্রতিমা* নামৰ কবিতা পুথিখনি বেজবৰুৱাই কোৱাৰ দৰে '*প্রতিমা*'খনি সৰু কিন্তু নিভাঁজ সোণৰ'। আনহাতে 'নিয়ৰ', 'মাধুৰী', 'তেজীমলা', 'বনকুঁৱৰী' আদি কবিতাত সৌন্দর্যৰ যি অপৰূপ প্রকাশ ঘটিছে, পৃথিৰীৰ অতি কম কবিয়েহে তেনে সফলতাৰ অধিকাৰী হ'ব পাৰিছে। তেনেদৰে আগৰৱালাৰ কবিতাত ৰোমাণ্টিক কবিতাৰ বিশেষ লক্ষণ 'মানৱতাবোধ' যেনেদৰে প্রকাশ পাইছে, আন কোনো অসমীয়া কবিৰ কবিতাত

আজিলৈকে প্ৰকাশ পোৱা নাই।

আগৰৱালাৰ পাছতে ৰোমাণ্টিক কবি হিচাপে লক্ষ্মীনাথ বেজবৰুৱাৰ নাম সদা স্মৰণীয়। *কদমকলি* নামৰ কবিতা পুথিৰ কবিজনে "কবিতা হয় যদি হওক, নহয় যদি নহওক" বুলিয়েই এমুঠিমান কবিতা ৰচিছিল। তাৰে কেইটিমান কবিতা মহেশ্বৰ নেওগে কোৱাৰ দৰে "সোণপানীৰে ছপাই বন্ধাই থ'বলগীয়া।" ৰোমাণ্টিক ধাৰাটোৰ প্ৰথম তৰংগৰ আনগৰাকী কবি হ'ল— হেমচন্দ্ৰ গোস্বামী। *জোনাকী*ৰ দ্বিতীয় সংখ্যাত প্ৰকাশ পোৱা গোস্বামীৰ 'জোনাকী' (পাছত 'পুৱা' নামেৰে প্ৰকাশিত) নামৰ কবিতাটোৱেই অসমীয়া ৰোমাণ্টিক যুগৰ দ্বিতীয়টো কবিতা। হেমচন্দ্ৰ গোস্বামীৰ বিশেষত্ব এইখিনিতেই যে তেওঁ অসমীয়া চতুৰ্দশপদী বা চনেট নামৰ কবিতাৰ জন্মদাতা। *জোনাকীত* প্ৰকাশ পোৱা গোস্বামীৰ 'প্ৰিয়তমাৰ চিঠি' নামৰ কবিতাটিয়েই প্ৰথম অসমীয়া চনেট। প্ৰথম তৰংগৰ এই তিনিগৰাকী কবিৰ ওচৰে-পাঁজৰে আন কেইগৰাকীমান কবিৰ উপস্থিতিও লক্ষ্য কৰা যায়। তেওঁলোক হ'ল— পদ্মনাথ গোহাঞিবৰুৱা, মফিজুদ্দিন আহমদ হাজৰিকা, আনন্দচন্দ্ৰ আগৰৱালা আৰু হিতেশ্বৰ বৰবৰুৱা। গোহাঞিবৰুৱাৰ কবিতাৰ পুথি তিনিখন— *লীলা কাব্য, ফুলৰ চানেকী* আৰু *জুৰণি*। 'জ্ঞানমালিনী' কবি নামেৰে পৰিচিত মফিজুদ্দিন আহমদ হাজৰিকাৰ একমাত্ৰ কবিতা পুথিখন হ'ল *জ্ঞানমালিনী*। আনন্দচন্দ্ৰ আগৰৱালাৰো কবিতাৰ পুথি মাথোন এখন— *জিলিকনি*। আনহাতে এওঁ ভালেমান বিদেশী কবিতা অসমীয়ালৈ অনুবাদ কৰে। সেইবাবে তেওঁক 'ভাঙনি কোঁৱৰ' বুলিও কোৱা হয়। হিতেশ্বৰ বৰবৰুৱাৰ *মালচ* আৰু *চকুলো* চতুৰ্দশপদী বা চনেট কবিতা পুথি।

ৰোমাণ্টিক যুগৰ দ্বিতীয় তৰংগৰ অগ্ৰণী কবিগৰাকী হ'ল ৰঘুনাথ চৌধাৰী। প্ৰকৃতিৰ প্ৰেমত বন্দী এই কবিগৰাকীৰ 'চৰাই' কবিতালানিৰ প্ৰতিটো কবিতাই অসমীয়া কাব্যৰাজকোষৰ একোমুঠি হীৰা-মণি-মৰকত হিচাপে ৰৈ গৈছে। ৰূপকে-যমকে, উপমাই-অনুপ্ৰাসে উপচি উঠা এওঁৰ কবিতাৰ সাধাৰণ লক্ষণ। তিনিকুৰি বছৰে কাব্যচৰ্চা কৰা এইগৰাকী কবিৰ কবিতাৰ পুথিসমূহ হ'ল— *সাদৰী, দহিকতৰা, কেতেকী, কাৰবালা* আৰু *নৱমল্লিকা*। এই তৰংগৰে আন এগৰাকী দাৰ্শনিক কবি হ'ল নীলমণি ফুকন (জ্যেষ্ঠ)। এওঁৰ কবিতাত আছে সত্য আৰু সুন্দৰক একেটা পাত্ৰতে বিধৃত কৰাৰ প্ৰচেষ্টা।

এই তৰঙ্গৰ আন এগৰাকী বিশিষ্ট কবি অম্বিকাগিৰী ৰায়চৌধুৰীৰ কবিতাত দুটা ধাৰা লক্ষ্য কৰা যায়। এটা বিপ্লৱী চিন্তাধাৰা আৰু আনটো ৰহস্যময় আধ্যাত্মিকতাৰ অভিব্যক্তি। বিদ্ৰোহাত্মক চিন্তা আৰু স্বদেশপ্ৰেমৰ অপূৰ্ব সমাহাৰত তেওঁৰ কবিতাৰ শক্তিশালী ৰূপ এটি দেখিবলৈ পোৱা যায়। তাৰ মাজতে *তুমি* নামৰ কাব্যপুথিত ডেকা প্ৰেমিকে যৌৱনৰ স্বপ্নৰ মাজেদি অনন্ত প্ৰেমে ভুমুকি মৰা দেখা পাইছে। এই কাব্যত তেওঁৰ প্ৰিয়াৰ ৰূপ কেনেদৰে ক্ৰমে ক্ৰমে বিকশিত হৈ নানা স্তৰৰ মাজেদি গৈ ভগৱৎ প্ৰেমত পৰিণত হৈছে, সেয়া চমকলগা ৰূপত বৰ্ণিত হৈছে। ৰায়চৌধুৰীৰ কবিতা

পুথিকেইখন হ'ল *তুমি, বাণী, অনুভূতি, বন্দো কি ছন্দেৰে, দেশেই ভগৱান* আৰু *বেদনাৰ উল্কা।*

ৰোমাণ্টিক কবি যতীন্দ্রনাথ দুৱৰাৰ কবিতা সাৱলীল, কোমল, মধুৰ, কৰুণ ৰসসিক্ত আৰু আত্মকেন্দ্রিক। দুৱৰা অসমীয়া কাব্য জগতত প্রেমৰ কবি হিচাপে পৰিচিত। ব্যক্তিগত প্রেমৰ কৰুণ হুমুনিয়াহেৰে এওঁৰ কবিতা সিক্ত। ব্যর্থ প্রেমত ক্ষত-বিক্ষত হৈ কবিয়ে আর্তনাদ কৰিছে। কবিৰ চাৰিওফালে মাথোঁ শূন্যতা আৰু অতীত দিনৰ সোঁৱৰণি। তাৰপৰা পৰিত্রাণৰ উপায় একমাত্র পাহৰণি। সেইবাবে বহুতে দুৱৰাক 'নিৰাশাবাদী' আৰু কেতিয়াবা 'দুঃখবাদী কবি' বুলিও আখ্যা দিয়া দেখা যায়। *আপোন সুৰ, বনফুল* আৰু *মৰমৰ সুৰ* এওঁৰ প্রধান কবিতাৰ পুথি।



জানি থোৱা ভাল

বনফুল কবিতা পুথিৰ বাবেই দুৱৰাই ১৯৫৫ চনত সাহিত্য অকাডেমী বঁটা লাভ কৰে। এৰেঁই সাহিত্য অকাডেমী বঁটা লাভ কৰা প্রথমগৰাকী অসমীয়া সাহিত্যিক।

'শেৱালি' কবিৰূপে খ্যাত ৰত্নকান্ত বৰকাকতী মুখ্যতঃ প্রেমৰ কবি। এওঁৰ প্রেমে কেতিয়াবা দেহজ প্রেম অতিক্রম কৰি বিশ্বজগতক সাঙুৰি লৈছে। কেতিয়াবা আকৌ মানৱীয় স্তৰ পাৰ হৈ অতীন্দ্রিয় পর্যায়লৈ গতি কৰিছে। দার্শনিক ভাবৰ পাতল অনুলেপনে বৰকাকতীৰ কোনো কোনো কবিতাক গাম্ভীর্য দান কৰিছে। *তর্পণ, শেৱালি* আৰু *চন্দ্রহাৰ* —এই তিনিখন বৰকাকতীৰ কবিতাৰ পুথি।

অসমীয়া ৰহস্যবাদী ধাৰাটোৰ শ্রেষ্ঠ কবিগৰাকী হ'ল নলিনীবালা দেৱী। ব্যক্তিগত জীৱনৰ কাৰুণ্যই কবিৰ ৰহস্যবাদৰ মূল উৎস। *গীতা, উপনিষদ,* অসমীয়া বৈষ্ণৱ সাহিত্য আৰু ৰবীন্দ্রনাথৰ কবিতাৰ অধ্যয়নে নলিনীবালা দেৱীৰ কাব্যিক দৃষ্টিভংগী আধ্যাত্মিকমুখী আৰু অতীন্দ্রিয়বাদী কৰাত ইন্ধন যোগাইছে। 'পদ্মশ্রী' উপাধি তথা 'সাহিত্য অকাডেমী' বঁটাৰে সন্মানীত নলিনীবালা দেৱীয়ে *সপোনৰ সুৰ, সন্ধিয়াৰ সুৰ, পৰশমণি, অলকানন্দা, অন্তিম সুৰ, যুগদেৱতা, জাগৃতি* আদি কবিতাৰ পুথি ৰচনা কৰে।

অসমীয়া ৰোমাণ্টিক কবিতাৰ তৃতীয় তৰংগটো হৈছে ভাৱধাৰাৰ অৱক্ষয়ৰ যুগ। এইছোৱা সময়ৰ কবিতাই লাহে লাহে ৰোমাণ্টিক ভাবধাৰাৰ পৰা আঁতৰি আহিবলৈ ধৰে। জ্যোতিপ্রসাদ আগৰৱালা, গণেশ গগৈ, দেৱকান্ত বৰুৱা এই তৰংগৰ উল্লেখযোগ্য কবি। জ্যোতিপ্রসাদ আগৰৱালাৰ কবিতাত স্বদেশানুৰাগ, প্রগতিমূলক ধাৰণা, সৌন্দর্যবোধ, মানৱতাবাদ, দুষ্কৃতি, শোষণৰ প্রতি ঘৃণাভাব প্রকট হৈছে। গণেশ গগৈৰ কবিতাত যতীন্দ্রনাথ দুৱৰাৰ কবিতাত উপলব্ধ বিষয়বস্তুৰ চূড়ান্ত পৰিণতি পৰিলক্ষিত

হয়। তেওঁৰ কবিতা পুথিসমূহ হ'ল — *পাপৰি, স্বপ্নভংগ* আৰু *ৰূপজ্যোতি*।

দেৱকান্ত বৰুৱা যুগসন্ধিৰ কবি। এওঁৰ একমাত্ৰ কাব্য সংকলন *সাগৰ দেখিছা* অসমীয়া কাব্য-সাহিত্যৰ এটি অপৰূপ বিস্ময়। বৰুৱাৰ কবিতাত দৈহিক প্ৰেমৰ সৰ্বোত্তম প্ৰকাশ ঘটিছে। এওঁ অসমীয়া কবিতাৰ আংগিক, বিশেষকৈ নতুন ছন্দ আৰু কলা-কৌশলৰ প্ৰয়োগেৰে নতুনত্বৰ সূচনা কৰে। ইংৰাজ কবি ৰবাৰ্ট ব্ৰাউনিঙৰ 'নাটকীয় একোক্তি'ৰ ঠাঁচত দেৱকান্ত বৰুৱাই অসমীয়া কাব্য সাহিত্যৰ ৰোমাণ্টিক যুগৰ সামৰণি সূচনা কৰে। মুঠতে, দেৱকান্ত বৰুৱাৰ কবিতাত যেনেদৰে ৰোমাণ্টিক কবিতাৰ বৈশিষ্ট্য বিদ্যমান, তেনেদৰে সাম্প্ৰতিক কবিতাৰ লক্ষণো বিৰাজমান। সেইবাবেই তেওঁ দুয়োটা যুগৰ মাজৰ অৰ্থাৎ সন্ধিক্ষণৰ কবি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ খালি ঠাই পূৰণ কৰক—

(ক) 'নিৰাশাবাদী' আৰু কেতিয়াবা 'দুঃখবাদী কবি' বুলি .....ক আখ্যা দিয়া দেখা যায়।

(খ) অসমীয়া ..... ধাৰাটোৰ শ্ৰেষ্ঠ কবিগৰাকী হ'ল নলিনীবালা দেৱী।

(গ) .....ৰ ঠাঁচত দেৱকান্ত বৰুৱাই অসমীয়া কাব্য সাহিত্যৰ ৰোমাণ্টিক যুগৰ সামৰণি সূচনা কৰে।

কুৰি শতিকাৰ চতুৰ্থ দশকটোৰ শেষৰ ফালে আৰম্ভ হোৱা দ্বিতীয় মহাযুদ্ধই সাহিত্যৰ সকলো ঠালৈলৈকে নতুন যুগৰ বাৰ্তা, নতুন চেতনা কঢ়িয়াই আনে। 1943 চনত *জয়ন্তী* কাকতখন কমলনাৰায়ণ দেৱ আৰু চক্ৰেশ্বৰ ভট্টাচাৰ্যৰ সম্পাদনাত ন-ৰূপেৰে প্ৰকাশিত হয়। এই কাকতখনকে আধাৰ হিচাপে লৈ ভবানন্দ দত্ত, অমূল্য কাকতি আদি কবিয়ে ৰোমাণ্টিক কবিতাৰ কল্পনা আৰু ভাব বিলাসৰ আতিশয্য পৰিহাৰ কৰি বাস্তৱতাৰ ভেটিত কবিতাক নতুন যুগৰ বাহক কৰাৰ চেষ্টা আৰম্ভ কৰে। এই সময়তে কবিতাৰ আঙ্গিক আৰু বিষয়বস্তুৰ আমূল পৰিৱৰ্তন সাধিত হ'ল আৰু অসমীয়া কবিতাৰ দিগন্ত বহুধা বিস্তৃত হৈ পৰিল।

এই সময়ৰ কবিসকলে তেওঁলোকৰ মনৰ পৰিধি বহল কৰি জগতৰ উন্মুক্ত বায়ু লগাকৈ মনৰ সকলো দুৱাৰ-খিৰিকী খুলি দিয়ে। সেইবাবেই এই যুগৰ কবিতাত বিচিত্ৰ অনুভূতিৰ প্ৰকাশ ঘটিবলৈ ধৰে। সেইবাবেই এই যুগৰ কবিতাত খিৰিকীৰ ফাঁকেদি ভূমুকি মৰা শৰতৰ জোন, অখ্যাত গলিৰ দাষ্টবিন, নূপুৰৰ নিক্কণ, চটিজোতাৰ চত্ চত্ শব্দ, কাণ্ট-হেগ্লেৰ দৰ্শন, মাৰ্ক্সীয় চিন্তাধাৰা, ফ্ৰয়েদীয় যৌনতত্ত্ব, এপিয়লা ফিকা চাহ, আনবিক বোমাৰ বিস্ফোৰণ আদি বিচিত্ৰ অনুভূতিৰ প্ৰকাশ ঘটিবলৈ ধৰে। চন্দ্ৰ কটকীৰ ভাষাৰে — "চতুৰ্থ দশকৰ তৰুণ অসমীয়া কবিসকলে তেওঁলোকৰ অন্তৰৰ স্নেহ বিস্তৃত

কৰি কয়লাখনিৰ বনুৱা, অন্ধগলিৰ নিভৃতত থকা বেশ্যা, অৱস দেহৰ ৰিস্কাৰালা, সমাজৰ কুঃসংস্কাৰৰ বলি হোৱা যোড়শী বিধৱা, ডাষ্টবিনত পৰি থকা এটুকুৰা মাটিৰ বাবে কুকুৰৰ স'তে যুঁজ কৰা, সমাজৰ আৱর্জনা বুলি পৰিগণিত হোৱা মগনীয়া ল'ৰা আদিকো সামৰি ল'লে।"

আমাৰ আলোচ্য সময়ছোৱাৰ শেষৰ পর্বৰ কবিসকলৰ ভিতৰত অমূল্য বৰুৱা (1922-1946)ৰ নাম উল্লেখযোগ্য। মাৰ্ক্সীয় দর্শনত বিশ্বাসী অমূল্য বৰুৱাই 'কয়লা', 'কুকুৰ', 'বেশ্যা' আদি কবিতাৰে অসমীয়া কাব্যমোদীৰ মন আলোড়িত কৰিছিল। অৱশ্যে অতি কম বয়সতে কলিকতাৰ সাম্প্রদায়িক সংঘর্ষত প্রাণ হেৰুওৱা এইগৰাকী কবিৰ একমাত্র কাব্যপুথি *অচিনা* (1964, নন্দ তালুকদাৰৰ দ্বাৰা সম্পাদিত) মৰণোত্তৰভাৱেহে প্রকাশ পায়। অমূল্য বৰুৱাই আৰম্ভ কৰা প্রগতিবাদী ধাৰাটো পৰৱৰ্তী সময়ত গুৰি ধৰে ভৱানন্দ দত্তই (1919-1959) 'ৰাজপথ', 'পূবেৰুণ' আদি কবিতাৰ যোগেদি। একেদৰে চক্রেশ্বৰ ভট্টাচার্যই (1916-1969) 'মাথোঁ এখন নোট' আদি কবিতাৰ যোগেদি পৰৱৰ্তী কেইবাজনো কবিক সাম্যবাদী ভাৱনাৰে উদ্বুদ্ধ কৰিবলৈ সক্ষম হয়। অৱশ্যে ঐতিহাসিক দৃষ্টিকোণেৰে লক্ষ্য কৰিলে দেখা যায় যে এনে প্রগতিশীল দৃষ্টিভঙ্গীযুক্ত আৰু বৈপ্লৱিক অসমীয়া কবিতাৰ প্রথম ৰচয়িতা আছিল ধীৰেন দত্তহে (1910)। তেওঁৰ 1945 চনত প্রকাশিত *অভিযান* নামৰ কাব্য সংকলনটিয়েই ইয়াৰ স্বাক্ষৰ। এই কবিতা পুথিখনৰ পাতনিত দত্তই ঘোষণা কৰিছে— "মোৰ অভিযান সকলো প্রকাৰ জড়তা, দীনতা, হীনতাৰ বিৰুদ্ধে; সমাজৰ কঠোৰ বান্ধোনৰ বিৰুদ্ধে।"

অমূল্য বৰুৱাৰ পাছৰ উল্লেখযোগ্য কবিগৰাকী হ'ল— হেম বৰুৱা। অসমীয়া কবিতাৰ বহু সমালোচকে হেম বৰুৱাকে আধুনিক কাব্য ৰীতিৰ প্রৱর্তক বুলি চিহ্নিত কৰিব বিচাৰে। 1929 চনৰ পৰা দীননাথ শর্মাৰ সম্পাদনাত প্রকাশিত 'আৱাহন' কাকতৰ পাততে প্রকাশ পোৱা এওঁৰ 'বান্দৰ' নামৰ কবিতাটো আছিল আধুনিক কবিতাৰ শক্তিশালী বার্তাবাহক। স্বৰাজোত্তৰ কালতহে তেওঁৰ কবিতা পুথি কেইখন প্রকাশ পায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ ১৯৪৩ কিমান চনত *জয়ন্তী* কাকতখন কাৰ সম্পাদনাত নতুন ৰূপেৰে প্রকাশিত হয়?

.....

.....

প্রশ্ন নং ৬ ঃ প্রগতিশীল দৃষ্টিভঙ্গীযুক্ত আৰু বৈপ্লৱিক অসমীয়া কবিতাৰ প্রথম ৰচয়িতা কোন আছিল? কোনখন সংকলনক ইয়াৰ অগ্রগামী বুলি কোৱা হয়?

.....



৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ১৮৮৯ চনৰ পৰা ১৯৪৭ চনলৈ এই সময়ছোৱাৰ ভিতৰত ৰচিত অসমীয়া সাহিত্যখিনি অৰুণোদয় পৰৱৰ্তীকালৰ আধুনিক অসমীয়া সাহিত্যৰূপে চিহ্নিত কৰা হয়। ১৮৮৯ চনত প্ৰকাশ পোৱা *জোনাকী* কাকতখনত কেন্দ্ৰ কৰিয়েই এই যুগটো আৰম্ভ হৈছিল। আলোচ্য সময়ছোৱাৰ অসমীয়া সাহিত্য পাশ্চাত্য সাহিত্যৰ প্ৰভাৱ বা আদৰ্শত সৃষ্টি হোৱা সাহিত্য। প্ৰকৃত অৰ্থত এই যুগটো আছিল সাহিত্যৰ বিভিন্ন ক্ষেত্ৰত (কবিতা, চুটিগল্প, উপন্যাস, নাটক আদি) পৰীক্ষা-নিৰীক্ষাৰ যুগ।
- ঐতিহাসিক পটভূমিত বিচাৰ কৰি চালে দেখা যায় যে ৰোমাণ্টিক সাহিত্য এক বিশেষ পৰিস্থিতি বা আন্দোলনৰ পৰিপ্ৰেক্ষিতত গঢ় লৈ উঠিছে। অসমীয়া সাহিত্যত ৰোমাণ্টিক যুগ সৃষ্টিতো কিছুমান ঐতিহাসিক ঘটনা জড়িত হৈ আছে। অৰুণোদয় পৰৱৰ্তীকালৰ আধুনিক অসমীয়া সাহিত্যৰ ক্ষেত্ৰত আছিল মূলতঃ কাব্যিক। কবিতাতেই ইয়াৰ প্ৰভাৱ আটাইতকৈ বেছি। কিন্তু লাহে লাহে সাহিত্যৰ অন্যান্য ক্ষেত্ৰলৈও ই সম্প্ৰসাৰিত হয়।
- কুৰি শতিকাৰ চতুৰ্থ দশকটোৰ শেষৰ ফালে আৰম্ভ হোৱা দ্বিতীয় মহাযুদ্ধই সাহিত্যৰ সকলো ঠাললৈকে নতুন যুগৰ বাৰ্তা, নতুন চেতনা কঢ়িয়াই আনে। অসমীয়া কবিতাটো তাৰ প্ৰভাৱ পৰে। এই বিষয়েও কিছু কথা অধ্যায়টোত আলোচনা কৰা হ'ল।



৫.৬ অধিক জানিবলৈ

১) গোস্বামী, যতীন্দ্ৰনাথ (১৯৯৪); *অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

২) গোস্বামী, হেমচন্দ্ৰ (১৯২৪); *অসমীয়া সাহিত্যৰ চানেকি;* কলিকতা ঃ কলিকতা বিশ্ববিদ্যালয়।

৩) তালুকদাৰ, নন্দ (২০০০৬); *কবি আৰু কবিতা;* গুৱাহাটী ঃ বনলতা।

৪) ঠাকুৰ, নগেন (সম্পাঃ) (২০০০); *এশ বছৰৰ অসমীয়া উপন্যাস;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৫) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৭) বৰগোহাঞি, হোমেন (সম্পাঃ) (২০০২); *বিংশ শতাব্দীৰ অসমীয়া সাহিত্য;* যোৰহাট ঃ অসম সাহিত্য সভা।

৬) বৰ্মন, শিৱনাথ (সম্পাঃ) (১৯৯৭); *অসমীয়া সাহিত্যৰ বুৰঞ্জী, দ্বিতীয় খণ্ড;* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।

৮) বৰা, মহেন্দ্র (১৯৭৬); *ৰমন্যাসবাদ;* গুৱাহাটী ঃ বাণী প্রকাশ।

১০) শর্মা, সত্যেন্দ্রনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

১১) শর্মা, হেমন্ত কুমাৰ (২০০৭); *অসমীয়া সাহিত্যত দৃষ্টিপাত;* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

৫.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ *জোনাকী* কাকতক কেন্দ্র কৰি সৃষ্টি হোৱা সাহিত্যৰাজি মূলতঃ ৰোমাণ্টিক সাহিত্য।

২ নং প্রশ্নৰ উত্তৰ ঃ এই ৰোমাণ্টিক সাহিত্যৰ লক্ষণসমূহ থূলমূলভাৱে সত্যেন্দ্রনাথ শর্মাই এনেদৰে দেখুৱাইছে— "ব্যক্তিসত্তাৰ প্রাধান্য, প্রকৃতি-প্রীতি, সাধাৰণ প্রাণী বা পদার্থৰ প্রতি উদাৰ মনোভাৱ, বাস্তৱ-বিমুখিতা, অতীতৰ প্রতি শ্রদ্ধা আৰু ভৱিষ্যতৰ ৰঙীণ কল্পনা। কল্পলোকৰ সৃষ্টিৰ সহায়ত আত্মমুক্তিৰ প্রচেষ্টা, প্রেম আৰু সৌন্দর্যৰ পূজা, জাগতিক সৌন্দর্যৰ প্রতি বিস্ময়বিমূঢ় দৃষ্টি, প্রিয়াৰ ৰূপ আৰাধনা আৰু বিশ্বপ্রকৃতিত প্রিয়াৰ ৰূপদর্শন আৰু অতীন্দ্রিয়বাদ, সুদূৰৰ আকর্ষণ, জীৱন ৰহস্যভেদৰ বৌদ্ধিক প্রচেষ্টা" আদি।

৩ নং প্রশ্নৰ উত্তৰ ঃ নগেন্দ্র নাৰায়ণ চৌধুৰী আৰু ডাঃ দীননাথ শর্মাৰ যুটীয়া প্রচেষ্টাত কলিকতাত ১৯২৯ চনত *আৱাহন* আলোচনীৰ জন্ম হয় আৰু সেই বছৰতে ডাঃ দীননাথ শর্মাৰ সম্পাদনাত কলিকতাৰ পৰা *আৱাহন* আলোচনীৰ প্রথম সংখ্যা প্রকাশ পায়।

৪ নং প্রশ্নৰ উত্তৰ ঃ (ক) যতীন্দ্রনাথ দুৱৰা (খ) ৰহস্যবাদী (গ) নাটকীয় একোক্তিৰ

৫ নং প্রশ্নৰ উত্তৰ ঃ ১৯৪৩ কিমান চনত *জয়ন্তী* কাকতখন কমলনাৰায়ণ দেৱ আৰু চক্রেশ্বৰ ভট্টাচার্যৰ সম্পাদনাত ন-ৰূপেৰে প্রকাশিত হয়।

৬ নং প্রশ্নৰ উত্তৰ ঃ প্রগতিশীল দৃষ্টিভঙ্গীযুক্ত আৰু বৈপ্লৱিক অসমীয়া কবিতাৰ প্রথম ৰচয়িতা আছিল ধীৰেন দত্তহে (১৯১০)। তেওঁৰ ১৯৪৫ চনত প্রকাশিত *অভিযান* নামৰ কাব্য সংকলনটিয়েই ইয়াৰ স্বাক্ষৰ।



৫.৮ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ *অভিমুন্য-বধ* পুথিখন কোনে ৰচনা কৰিছিল?

প্ৰশ্ন ২ ঃ *জোনাকী* কাকতখন কোন চনত প্ৰকাশ পাইছিল?

(খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ অসমীয়া ৰোমাণ্টিক কবিতাৰ আলোচনা প্ৰসংগত মহেন্দ্ৰ বৰাই এই যুগটোক কেনেদৰে বিভাজন কৰি আলোচনা কৰিছে? চমুকৈ লিখক।

প্ৰশ্ন 2 ঃ চমুটোকা লিখক —

(ক) *জোনাকী* কাকত (খ) কবি ৰঘুনাথ চৌধাৰী

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ অৰুণোদয় পৰৱৰ্তীকালৰ আধুনিক অসমীয়া সাহিত্যৰ পটভূমি সম্পৰ্কে এটি সমালোচনাকে প্ৰবন্ধ যুগুত কৰক।

প্ৰশ্ন ২ ঃ অৰুণোদয় পৰৱৰ্তীকালৰ কবিতাৰ বিষয়ে এটি আলোচনা আগবঢ়াওক।

*** ***** ***